মূল্য
স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে
# নিয়মীয়া বাৰ্তা
সংখ্যা ১৭১ □ সোমবাৰ □ ৯ ভাদ ১৯৪৬ শক □ ২৬ আগষ্ট ২০২৪ চন □ VOL-14 □ NO-171 □ MONDAY 26 AUGUST 2024
(ডিব্রুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE

D. H. S. K. COLLEGE
C.C.C. LIBRARY, Dibr...
Accession No.
Call No.

## সুপ্ৰভাত

আজিৰ দিনটোতে—

- ১৮৪৩ত চাৰ্লছ থুবাৰে টাইপ ৰাইটাৰৰ পেটেণ্ট লাভ।
- ১৮৯৫ত নায়েগ্ৰা জলপ্ৰপাতত প্ৰথম শক্তি উৎপাদন কৰে।
- ১৯১০ত মাদাৰ টেৰেছাৰ জন্ম।
- ১৯২১ত আমেৰিকাৰ মহাকাশযানৰ অভিযন্তা মেক্সিম ফোগটৰ জন্ম।
- ১৯৫৫ত প্ৰথম টেনিছ মেচ ৰঙীন টিভিত সম্প্ৰচাৰ।
- ১৯৫৬ত ৰাজনীতিবিদ, পৰিৱেশবিদ মেনকা গান্ধীৰ জন্ম।

### তুমি যি গুণৰ অধিকাৰী সেই গুণ লৈয়ে আগুৱাই যাব লাগিব ঃ চক্ৰপাণি পৰাশৰ

# ডিএইচএছ কানৈ মহাবিদ্যালয়ত নৱাগত আদৰণী সভা

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৫ আগষ্ট ঃ 'তুমি যি গুণৰ অধিকাৰী সেই গুণ লৈয়ে আগুৱাই যাব লাগিব।' ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভাৰ মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি সাংবাদিক চক্ৰপাণি পৰাশৰে কালি এইদৰে কয়। তেওঁ কয়— মানুহৰ সকলো পৰিৱৰ্তন হ'লেও গুণৰ কেতিয়াও পৰিৱৰ্তন নহয়। মহাবিদ্যালয়ৰ মুখ্য দ্বাৰৰ পৰা গায়ন-বায়ন আৰু এনচিচিৰ কেডেটে সভাগৃহলৈ আদৰণি জনাই অনা সভাখনত নৱাগত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি পৰাশৰে কয় — এখন ঘৰলৈ যেতিয়া এটা নৱজাতক সন্তানৰ আগমন হয়, তেতিয়া সেই ঘৰখনত এক উখল-মাখল, আনন্দময় পৰিৱেশৰ সৃষ্টি হয়। তোমালোকো আজি এই কানৈ মহাবিদ্যালয়ৰ এক সন্তানৰ দৰেই, গতিকে তোমালোকে এই মহাবিদ্যালয়খনক নিজৰ ঘৰ বুলি অনুভৱ কৰি অধ্যয়নৰ সমপৰ্যায়কৈ মহাবিদ্যালয়খনক নিজৰ ঘৰখনৰ দৰে মৰম কৰিবা। তেওঁ কয়— জীৱনত আটাইতকৈ ডাঙৰ গোপনীয়তাটোৱে হ'ল তোমাক লৈ কোনে প্ৰাৰ্থনা কৰিছে অথবা তোমাক লৈ কোনে খেল খেলিছে। এই গোপনীয়তাটো যথাৰ্থভাৱে অনুভৱ কৰিব পাৰিলে জীৱনত প্ৰকৃত মানুহ চিনি পোৱাত সহায় হয় আৰু নিজকে আগুৱাই নিয়াত সহজ হয়। ছাত্ৰ পৰাংগম শৰ্মাই আঁত ধৰা অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষগৰাকীয়ে কয়— তোমালোকে আজি কানৈয়ান হোৱাৰ সুযোগ লাভ কৰিছা। এই কানৈয়ান হোৱাৰ যি সুযোগ তোমালোকে লাভ কৰিছা, সেই সুযোগৰ জৰিয়তে মহাবিদ্যালয়খনক সৰ্বদিশত উন্নতি কৰি দেশৰ লগতে বিদেশতো মহাবিদ্যালয়খনৰ নাম উজ্জলাই তুলিবলৈ চেষ্টা কৰিবা বুলি মত প্ৰকাশ কৰি কয়— মহাবিদ্যালয়খনক নিজৰ বুলি আপোন কৰি ল'ব পাৰিলেহে তোমালোক আগুৱাই যাব পাৰিবা আৰু ভৱিষ্যতে একোজন সফল ব্যক্তি হিচাপে সমাজত পৰিচয় দিব পাৰিবা। ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক মৃগাংক শাণ্ডিল্যই উদ্দেশ্য ব্যাখ্যা কৰা মুকলি সভাখন উদ্বোধন কৰে মাধৱদেৱ বিশ্ববিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্ৰক ড° দেৱপল্লৱ ৰাজখোৱাই। উদ্বোধনী ভাষণ প্ৰসংগত ড° ৰাজখোৱাই কয়— মই আজি অতিশয় প্ৰফুল্লিত, আনন্দিত হৈছোঁ, কিয়নো যিকোনো এজন তেজ-মঙহৰ ব্যক্তিয়ে কানৈ মহাবিদ্যালয়ৰ চৌহদত যেতিয়া প্ৰৱেশ কৰিব, তেতিয়া মহাবিদ্যালয়খনৰ পৰিষ্কাৰ-পৰিচ্ছন্ন পৰিৱেশ দেখি অতিশয় উৎফুল্লিত, প্ৰফুল্লিত হ'ব। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত মহাবিদ্যালয় সংগীত আৰু মংগলাচৰণেৰে শুভাৰম্ভ হোৱা নৱাগত আদৰণী সভাৰ মুকলি সভাখনত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি অভিমন্যু বৰুৱা, উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামী, শৈক্ষিক সমন্বয়ক ড° মৃদুল শৰ্মা, অসম কলেজ শিক্ষক সংস্থা, কানৈ মহাবিদ্যালয় গোটৰ সভাপতি ড° চন্দনা গোস্বামী, অধ্যাপিকা ড° অলকানন্দা বৰুৱাই নৱাগতসকলক উদ্দেশ্যি মননশীল বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীৰ লগতে ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অৰ্জুন ছেত্ৰী, সহকাৰী



সাধাৰণ সম্পাদক ৰূপজ্যোতি বৰঠাকুৰকে ধৰি ভালেকেইজন গণ্য-মান্য ব্যক্তি আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শেষত শলাগ জ্ঞাপন কৰে ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদক নয়নজ্যোতি কুৰ্মীয়ে। মুকলি সভাৰ পিছতে অনুষ্ঠিত হোৱা সাংস্কৃতিক কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত বিভিন্ন নৃত্য-গীতে উপস্থিত সকলোকে আপ্লুত কৰে। সাংস্কৃতিক কাৰ্যসূচীত গীত পৰিৱেশন কৰি সকলোকে মন্ত্ৰমুগ্ধ কৰি তোলে জনপ্ৰিয় কণ্ঠশিল্পী দীপলীনা ডেকাই।